# ঈশ্বৰৰ পৱিত্ৰ আত্মাই আমাক সলনি কৰে আৰু আমাক উত্তম কৰে

**প্ৰাৰ্থনা ঃ** প্ৰিয় প্ৰভু, ল'ৰা-ছোৱালীয়ে আপোনাক উত্তমৰূপে জানিবলৈ এই অধ্যয়নত ব্যৱহাৰ কৰক। যাতে যেন পৱিত্ৰ আত্মাই তেওঁলোকক পৰিৱৰ্ত্তন আৰু পৰিচালনা কৰে।

ল'ৰা-ছোৱালীৰ প্ৰয়োজন অনুযায়ী আৰু স্থানীয় দস্তুৰমতে কৰিবলগীয়া কাম বাচি লওক।

ধৰ্ম্মাৰ্থে জীৱন উৎসৰ্গ কৰা স্তিফানৰ কাহিনীটি পঢ়ি এই পাঠ প্ৰস্তুত কৰক (পাঁচনিৰ কৰ্ম্ম ৬ঃ৮-১৫ আৰু ৭ঃ৫১-৬০)। ঈশ্বৰৰ আত্মাই স্তিফানক কেনেকৈ খ্ৰীষ্টৰ বাবে এক সাহসী সাক্ষ্য কৰিলে, স্তিফানে কি কৈছিল; আৰু এই কথাত যিহূদী চলাওঁতা সকলৰ প্ৰতিকাৰ কি, তাৰ বিচাৰ কৰি চাওক।



**এটি বয়সীয়া ল'ৰা বা ছোৱালীক গল্পটি ক'বলৈ প্ৰস্তুত কৰক। এতিয়া ল'ৰা-ছোৱালীক প্ৰশ্ন কৰক ঃ**

- স্তিফানে কেনে ধৰণৰ লোক আছিল?
- কিয় কিছুমান চলাওঁতাই লোকবিলাকক স্তিফানৰ অহিতে মিছা ক'বলৈ উচতাইছিল?
- মৃত্যুৰ পূৰ্ব্বে স্তিফানৰ মুখখন কেনে দেখাইছিল?
- মৃত্যুৰ পূৰ্ব্বে স্তিফানে কি দেখা পাইছিল?
- কিয় কিছুমান মানুহে স্তিফানক খং কৰিছিল?
- স্তিফানৰ শেষ বাক্য কি আছিল?

**মিছা অপবাদৰ কষ্ট।**

- তেওঁ নকৰাটোকে কৰা বুলি কিছুমানে মিছাকৈ কোৱা, এনে এক সময়ৰ বিষয়ে ভাবিবলৈ ল'ৰা-ছোৱালীক কওক।
- মিছা অপবাদ পাওঁতে তেওঁলোকে কেনে অনুভৱ কৰিছিল আৰু তেওঁলোকে কি কৰিলে, প্ৰশ্ন কৰক।

ধৰ্ম্মাৰ্থে জীৱন উৎসৰ্গ কৰা স্তিফানৰ কহিনীৰ নাটক প্ৰস্তুত কৰক আৰু গীৰ্জ্জাৰ উপাসনাৰ সময়ত দেখুৱাওক। চৌল, স্তিফানৰ বেশত ডাঙৰ ল'ৰাক আৰু প্ৰতিবাদকাৰীৰ বেশত সৰু ল'ৰা-ছোৱালীক প্ৰস্তুত কৰক।

**চৌল ঃ** "মই পাঁচনি পৌল। মই খ্ৰীষ্টক জনাৰ পূৰ্ব্বে,যেতিয়া মোক 'চৌল' বুলি মতা হৈছিল তেতিয়া মই দেখা কথাৰ বিষয়ে আপোনালোকক ক'ব খোজোঁ। (পাঁচনিৰ কৰ্ম্ম ৬ঃ৮ পৰা ১১ পদৰ প্ৰথম অংশলৈকে পঢ়ক)।

**স্তিফান ঃ** (অন্য দিশে থিয় হৈ থাকে)।

**দোষাৰূপ কৰা সকল ঃ** (স্তিফানলৈ আঙুলিয়াই খঙেৰে চিঞৰে) "আমি এওঁক মোচি আৰু ঈশ্বৰৰ অহিতে নিন্দা কথা কোৱা শুনিলোঁ!"

**চৌল ঃ** (পাঁচনিৰ কৰ্ম্ম ৬ঃ১২ পৰা ১৩ পদৰ প্ৰথম ভাগলৈকে পঢ়ক)।

**দোষাৰূপ কৰা সকল ঃ** (চিঞৰি খণ্ডেৰে আপত্তি কৰা - পাঁচনিৰ কৰ্ম্ম ৬ঃ১৩-১৪ উল্লেখ কৰা আছে)।

**চৌল ঃ** (পাঁচনিৰ কৰ্ম্ম ৬ঃ১৫ আৰু ৭ঃ১ পঢ়ক)।

**স্তিফান ঃ** (স্তিফানৰ কথাবোৰ পাঁচনিৰ কৰ্ম্ম ৭ঃ২-৩ পদত পঢ়ক)।

**চৌল ঃ** "স্তিফানে ইস্ৰায়েলৰ ইতিহাস চমুকৈ বৰ্ণনা কৰিছিল"।

**স্তিফান ঃ** (পাঁচনিৰ কৰ্ম্ম ৭ঃ৫১-৫২ পঢ়ক)।

**চৌল ঃ** (পাঁচনিৰ কৰ্ম্ম ৭ঃ৫৪-৫৫ পঢ়ক)।

**স্তিফান ঃ** (পাঁচনিৰ কৰ্ম্ম ৭ঃ৫৬ লিখা স্তিফানৰ কথাবোৰ চিঞৰি কওক)।

**দোষাৰূপ কৰা সকল ঃ** (দৌৰি স্তিফানৰ কোঠাটোৰ বিপৰীত ফালে চুচৰাই নিয়ে)।

**চৌল ঃ** (পাঁচনিৰ কৰ্ম্ম ৭ঃ৫৭-৫৮ পঢ়ক। 'চৌল' আপুনিয়ে বুলি বুজাই কওক)।

**দোষাৰূপ কৰা সকল ঃ** স্তিফানলৈ শিল দলিওৱা যেন দেখুৱাওক।

**স্তিফান ঃ** (পাঁচনিৰ কৰ্ম্ম ৭ঃ৫৯-৬০ পদত স্তিফানৰ কথাবোৰ পঢ়ক)।

বয়সীয়া সকলক প্ৰশ্ন সুধিবলৈ ল'ৰা-ছোৱালীবিলাকক কওক, পৱিত্ৰ আত্মাই স্তিফানক কৰিবলৈ সহায় কৰা সকলোকে তেওঁলোকে যুগুত কৰিলে। প্ৰথম ভাগত তেওঁবিলাকে প্ৰশ্নবোৰ ব্যৱহাৰ কৰিব পাৰে।

**কবিতা**। যিচয়া ৬১ঃ১-২ পদৰ তিনিটা অংশ তিনিজন ল'ৰা-ছোৱালীক আবৃত্তি কৰিবলৈ শিকাওক। তেওঁলোকে বয়সীয়া সকলৰ বৱে আবৃত্তি কৰিব পাৰে।

প্ৰভু যিহোৱাৰ আত্মা মোত স্থিতি হৈছে,
কিয়নো নম্ৰ লোকবিলাকৰ আগত শুভবাৰ্ত্তা
প্ৰচাৰ কৰিবলৈ যিহোৱাই মোক অভিষেক কৰিলে।

ভগ্ন চিত্তীয়া ঘা বান্ধিবলৈ,
বন্দী লোকবিলাকলৈ মুক্তি আৰু বন্দীয়াৰবিলাকলৈ
বন্দীশাল মুকলি কৰা কথা ঘোষণা কৰিবলৈ

যিহোৱাৰ অনুগ্ৰহ বছৰ আৰু আমাৰ
ঈশ্বৰৰ প্ৰতিফলযিয়া দিন ঘোষণা কৰিবলৈ।

পৱিত্ৰ আত্মাৰ কামবোৰ বৰ্ণনা কৰক।

- পৱিত্ৰ আত্মাই কি কৰে তাক বৰ্ণনা কৰিবলৈ ল'ৰা-ছোৱালীক এডাল ছিঙা শিকলিৰ ছবি আঁকিবলৈ দিয়ক।
- ল'ৰা-ছোৱালীবিলাকক তেওঁলোকৰ ছবিখন বয়সীয়া সকলক দেখুৱাবলৈ দি বৰ্ণনা কৰিবলৈ দিয়ক যে পৱিত্ৰ আত্মাই আমাক ঈশ্বৰৰ শক্তিৰে পৰিপূৰ্ণ কৰে আৰু আমাক পাপ আৰু দুষ্টতাৰ শিকলিৰ পৰা মুক্ত আৰু মৃত্যুৰ ভয়ৰ পৰা আমাক মুক্ত কৰে।



মুখস্থ কৰক যোহন ২০ঃ২২। ল'ৰা-ছোৱালীক মুখস্থ কৰিবলৈ দিয়ক ইফিচীয়া ১ঃ ১৩,১৪।

আত্মাৰ ফলবোৰ বৰ্ণনা কৰক। গালাতীয়া ৫ঃৰ৯-২৫ পঢ়ক।

মাংসৰ মন্দ কামবোৰৰ (পাপপূৰ্ণ কাম) উদাহৰণবোৰ আৰু পৱিত্ৰ আত্মাই পিছত আৎপন্ন কৰা বিপৰীত গুণবোৰ (তলৰ তালিকাত উল্লেখিত) বৰ্ণনা কৰক।

## মাংসৰ কামবোৰ আৰু আত্মাৰ ফল

| | |
|---|---|
| **মাংসৰ কামবোৰ** ঃ পাপৰ কাৰণে মানুহে মন্দ কামবোৰ কৰিবলৈ ইচ্ছা কৰে। গালাতীয়া ৫ঃ১৯-২১। | **আত্মাৰ ফল** ঃ ভাল কাম কৰিবলৈ পৱিত্ৰ আত্মাই আমাক সহায় কৰে। গালাতীয়া ৫ঃ২২-২৩। |
| ব্যভিচাৰ কাৰ্য্য। দায়ূদে অন্য পুৰুষৰ তিৰোতাক বিচাৰিছিল। | প্ৰেম। দায়ূদে অনুতাপ কৰিছিল, তেওঁ ঈশ্বৰক অতিশয় প্ৰেম কৰিছিল। |
| অশুচি কাৰ্য্য। লম্পট আচৰণ ধোৱাখুলীয়া সন্তানজনে দুৰাৱস্থাত জীৱন নিৰ্ব্বাহ কৰিছিল। | আনন্দ। অনুতাপ কৰি যি আনন্দ পাইছিল আৰু উলটি আহিছিল, লূক ১৫ঃ১১-৩২। |
| দেৱপূজা, মায়াকৰ্ম্ম, ইজ্ৰাৰ লোকবিলাকে মূৰ্খ দেৱমূৰ্ত্তিবোৰৰ পৰা শান্তি বিচাৰিছিল। | শান্তি। ঈশ্বৰত শান্তি পাবলৈ ইজ্ৰাই যিহূদীলোকবিলাকক সহায় কৰিছিল। ইজ্ৰা ৯ অধ্যায়। |
| ঘৃণা। চৌলে বিশ্বাসীবিলাকক ঘৃণা কৰিছিল আৰু তেওঁলোকক তাড়না কৰিছিল। | ধৈৰ্য্য। চৌলে বেয়া ব্যৱহাৰ সহ্য কৰিবলৈ শিকিছিল। পাঁচনিৰ কৰ্ম্ম ৯। |
| নানাবিধ শত্ৰুতা, বিবাদ, হিংসা কৰি যিহূদাই ভায়েক যোচেফক দাসৰূপে বেচিছিল। | দয়া। পিছত যিহূদাই মহান দয়াৰ প্ৰদৰ্শন কৰিছিল। আদিপুস্তক ৩৭ আৰু ৪৪। |
| ঈৰ্ষা, খং-ৰাগ। তেওঁৰ শত্ৰুবোৰক ধ্বংস কৰিবলৈ যোহনে জুই বিচাৰিছিল। | মঙ্গলভাৱ। যোহনে পিচলৈ অধিক ভাল ভাব প্ৰদৰ্শন কৰিছিল। |
| স্বাৰ্থপৰ অভিলাষ। তেওঁৰ উত্তৰাধিকাৰ পাবলৈ যাকোবে এচৌৰ প্ৰতি চল কৰিছিল। | বিশ্বাস। তেওঁৰ সহায় পাবলৈ যাকোবে ঈশ্বৰত বিশ্বাস কৰিবলৈ শিকিছিল। |
| বিৰোধ, বিভেদ, নানা মত। আন্তিয়খিয়াত বিশ্বাসীবিলাকক ভাগ কৰা হৈছিল। | মৃদু ভাব। আন্তিয়খিয়াৰ বিশ্বাসীবিলাকত একতা পোৱা গৈছিল। পাঁচনিৰ কৰ্ম্ম ১৫। |
| অসূয়া, মত্ততা, ৰঙ্গৰস। কৰন্থীয়াবিলাকৰ মাজত এই কুকৰ্ম্মবোৰ আছিল। | ইন্দ্ৰিয় দমন। কৰন্থীয়াবিলাক পৱিত্ৰ আত্মাৰ দ্বাৰাই ধৌত হৈ শুচি হৈছিল। ১ কৰন্থীয়া ৬ঃ৯-১১। |

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net